- গৱেষণা আৰ্হিয়ে গৱেষক নিজ কার্য পদ্ধতিগত আৰু বিজ্ঞানসন্মতভাৱে কৰিবলৈ সক্ষম কৰে।
- গৱেষণা আৰ্হিয়ে গৱেষণাক সফল কৰি তোলাৰ লগতে সময় আৰু টকা-পইচাৰ অপব্যয় ৰোধ কৰে।
- গৱেষণা আৰ্হিয়ে অধ্যয়নক এক নির্দিষ্ট দিশ নির্ণয় কৰে। ই গৱেষণাৰ অনিশ্চয়তা, অস্পষ্টতা, বিভ্রান্তি আৰু ব্যৱহাৰিক ক্রমহীনতা (Raphazard) ৰোধ কৰে।
- গৱেষণা আৰ্হিৰ অভাৱত বহুতো গৱেষণাই নিজৰ উদ্দেশ্যত উপনীত হ'ব নোৱাৰে আৰু আনকি কেতিয়াবা ভ্রান্তিজনক। অসফল গৱেষণা সিদ্ধান্তৰহে সৃষ্টি কৰে।
- এটা গৱেষণা আৰ্হি ভাল হ'বলৈ হ'লে ইয়াত পক্ষপাত নাথাকিব লাগিব আৰু তথ্যসংগ্রহৰ ক্ষেত্রত সর্বাধিক গ্রহণযোগ্যতা আৰু বিশ্লেষণৰ ক্ষেত্রতো গ্রহণযোগ্যতা থাকিব লাগিব।



৪.৭ অধিক জানিবলৈ

১) Guthrie, Gerard, 2010, *Basic Research Methods: An Entry to Social Science Research*. New Delhi: Sage publication. India.

২) Kothari, C.R., 2004, *Research Methods and Techniques.* New Delhi: New Age International Publisher.

৩) Young, P.V., 2009, *Scientific Social Surveys and Research*. New Delhi: Prentice Hall.

Websites:http://www.yourarticlelibrary.com

http://libguides.sun.ac.za/content.php?pid=426346&sid=3486790

৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) মিছা খ) সঁচা

২ নং প্রশ্নৰ উত্তৰ ঃ যিদৰে মানচিত্র এখনে আমাক আমাৰ পথ দেখুৱাই ঠিক সেইদৰে গৱেষণা আৰ্হিয়ে আমি কেনেদৰে আমাৰ গৱেষণা প্রক্রিয়াটো আগবঢ়াই নিব লাগিব তাৰ বিষয়ে জ্ঞাত কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ক) মিছা খ) সঁচা